মানুহে নিজৰ বন্ধুৰ পথ অনুকৰণ কৰে। গতিকে তোমালোকৰ মাজৰ প্ৰত্যেকেই মনোযোগ দিয়া উচিত যে, সি কাক বন্ধুৰূপে গ্ৰহণ কৰিছে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মানুহে নিজৰ বন্ধুৰ পথ অনুকৰণ কৰে। গতিকে তোমালোকৰ মাজৰ প্ৰত্যেকেই
মনোযোগ দিয়া উচিত যে, সি কাক বন্ধুৰূপে গ্ৰহণ কৰিছে।" [হাছান] [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, মানুহে তাৰ বন্ধুৰ তথা অন্তৰংগ সংগীৰ চৰিত্ৰ, অভ্যাস আদিৰ অনুকৰণ কৰে। এই বন্ধুত্বই তাৰ স্বভাৱ, চৰিত্ৰ আৰু চাল-চলনত প্ৰভাৱ পেলায়। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উত্তম লোকক বন্ধু হিচাপে চয়ন কৰিবলৈ নিৰ্দেশনা দিছে। কাৰণ এনেকুৱা বন্ধুৱে ঈমান, হিদায়ত আৰু কল্যাণৰ পথ দেখুৱাব, যিটো তাৰ বন্ধুৰ বাবে সহায়ক হ'ব।

http://www.sunnah.global/hadeeth/as/show/3122